**32T HIST**

# 2022

# HISTORY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

| | |
|---|---|
| *Q. No.* **1** *carries* **1** *mark each* | 1×12 = 12 |
| *Q. No.* **2** *carries* **2** *marks each* | 2×12 = 24 |
| *Q. No.* **3** *carries* **4** *marks each* | 4×10 = 40 |
| *Q. No.* **4** *carries* **6** *marks each* | 6×3 = 18 |
| *Q. No.* **5** *carries* **6** *marks each* | 6×1 = 6 |
| | Total =100 |

*Contd.*

1. Answer the following questions : ( *any twelve* ) 1×12=12

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ ( *যিকোনো বাৰটা* )

(*a*) Where was the Indus Valley Civilization discovered first ?

সিন্ধু সভ্যতা প্ৰথমে ক'ত আৱিষ্কাৰ হৈছিল ?

(*b*) Name the first Mahajanapada.

প্ৰথম মহাজনপদখনৰ নাম লিখা।

(*c*) Name *one* of the grains found at the Harappan sites.

হৰাপ্পা সভ্যতাৰ স্থানসমূহত পোৱা *এবিধ* শস্যৰ নাম লিখা।

(*d*) Who authored 'Chakaripheti Buranji' ?

'চকৰী ফেঁটী বুৰঞ্জী' কোনে প্ৰণয়ন কৰিছিল ?

(*e*) During whose reign was the Umananda temple at Guwahati built ?

কোনজন আহোম ৰজাৰ ৰাজত্ব কালত গুৱাহাটীত উমানন্দ মন্দিৰ নিৰ্মাণ কৰা হৈছিল ?

(*f*) Who was the first woman Bhikkhuni ?

প্ৰথম গৰাকী মহিলা ভিক্ষুণী কোন আছিল ?

(*g*) Who was the first woman ruler of the Ahom Kingdom ?

আহোম ৰাজসিংহাসনত আৰোহণ কৰা প্ৰথম গৰাকী মহিলা কোন আছিল ?

(*h*) Who was the author of 'Rihla' ?

'ৰিহ্লা'ৰ লেখক কোন ?

(*i*) Who was the physician of Mughal Prince Dara Shukoh ?

মোগল ৰাজকুমাৰ দাৰা চিকোৰ ব্যক্তিগত চিকিৎসক কোন আছিল ?

(*j*) Name the favourite calligraphy of Akbar.

আকবৰৰ প্ৰিয় পাণ্ডুলিপি শৈলীৰ নাম লিখা।

(*k*) Name the first British colony in India.

ভাৰতবৰ্ষত প্ৰথমখন ইংৰাজ উপনিবেশৰ নাম লিখা।

(*l*) In which year did the British government abolish the sati system in India ?

কোন চনত ইংৰাজসকলে ভাৰতবৰ্ষত সতীদাহ প্ৰথা বিলুপ্ত কৰিছিল ?

(*m*) Who termed the Revolt of 1857 as the first war of Indian Independence ?

কোনে ১৮৫৭ চনৰ বিদ্ৰোহক ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম আখ্যা দিছিল ?

(*n*) In which year was the capital of India shifted to Delhi from Calcutta ?

কোন চনত ভাৰতবৰ্ষৰ ৰাজধানী কলিকতাৰ পৰা দিল্লীলৈ স্থানান্তৰিত কৰা হৈছিল ?

(*o*) Who was the first editor of 'Junaki' ?

'জোনাকী'ৰ প্ৰথম সম্পাদক কোন আছিল ?

(*p*) When was the first railway started in India ?

ভাৰতবৰ্ষত প্ৰথম ৰেলপথ নিৰ্মাণ কেতিয়া আৰম্ভ হৈছিল ?

2. Answer the following questions in brief : ***( any twelve )*** 2×12=24

তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া ঃ ***( যিকোনো বাৰটা )***

(*a*) Mention *any two* characteristics of the Harappan Civilization.

হৰাপ্পা সভ্যতাৰ *যিকোনো দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(b) Name *any two* important sites of the Harappan Civilization.

হৰাপ্পা সভ্যতাৰ *যিকোনো দুটা* উল্লেখযোগ্য ক্ষেত্ৰৰ নাম লিখা।

(c) What metals did the Harappans procure from Khetri region of Rajasthan and Kolar of Karnataka?

ৰাজস্থানৰ ক্ষেত্ৰী অঞ্চল আৰু কৰ্ণাটকৰ কোলাৰ পৰা হৰাপ্পাবাসীয়ে কি কি ধাতু সংগ্ৰহ কৰিছিল ?

(d) Where and when did the peasant revolt first take place in Assam?

অসমৰ ক'ত আৰু কেতিয়া প্ৰথম কৃষক বিদ্ৰোহ হৈছিল ?

(e) What is Mahayana?

মহাযান কি ?

(f) When did Mirjumla invade Assam? Which author accompanied him?

মীৰজুমলাই কেতিয়া অসম আক্ৰমণ কৰিছিল ? তেঁওৰ লগত অহা লিখকজনৰ নাম কি ?

(g) What were the right occupations of the Kshayatriyas?

ক্ষত্ৰিয়সকলৰ আদৰ্শ জীৱিকা কি ?

(h) Write *any two* limitations of inscriptional evidence.

লিপিসমূহৰ পৰা পোৱা তথ্যৰ *যিকোনো দুটা* সীমাবদ্ধতাৰ বিষয়ে লিখা।

(i) Why did Abul Fazal describe painting as magical art?

আবুল ফজলে চিত্ৰক কিয় 'ভেল্কীবাজী কলা' বুলি কৈছিল ?

(j) What do you understand by 'Kitabkhana'?

'কিতাবখানা' বুলিলে কি বুজা ?

(*k*) Name *any two* Sufi saints of Medieval India.

মধ্যযুগৰ ভাৰতবৰ্ষৰ *যিকোনো দু'জন* চুফী সন্তৰ নাম লিখা।

(*l*) What were 'zimma' and 'jizya'?

'জিম্মী' আৰু 'জিজিয়া' কি ?

(*m*) Who established the Vijaynagar Empire and when?

বিজয় নগৰ সাম্ৰাজ্য কোনে আৰু কেতিয়া প্ৰতিষ্ঠা কৰিছিল ?

(*n*) What were White Town and Black Town?

শ্বেত নগৰ আৰু কৃষ্ণ নগৰ কি ?

(*o*) Why did Mahatma Gandhi consider Hindustani to be the national language of India?

মহাত্মা গান্ধীয়ে হিন্দুস্তানী ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় ভাষা হ'ব লাগে বুলি কিয় বিবেচনা কৰিছিল ?

(*p*) Mention *two* women leaders of the Revolt of 1857.

১৮৫৭ খ্ৰীষ্টাব্দৰ বিদ্ৰোহৰ *দুগৰাকী* নেত্ৰীৰ নাম লিখা।

(*q*) Who called for 'Direct Action' and which day was chosen for it?

কোনে 'প্ৰত্যক্ষ সংগ্ৰাম'ৰ আহ্বান জনাইছিল ? ইয়াৰ বাবে কোনটো দিন বাছি লোৱা হৈছিল ?

3. Answer the following questions : ***(any ten)*** 4×10=40

নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ ***(যিকোনো দহটা)***

(*a*) Give a description of the town planning of the Harappan Civilization.

হৰাপ্পীয় সভ্যতাৰ নগৰকেন্দ্ৰসমূহৰ আঁচনিৰ এটি বিৱৰণ দিয়া।

(*b*) Give a brief description of the administrative system of the Ahoms.

আহোমসকলৰ শাসন ব্যৱস্থাৰ এটি চমু বিৱৰণ দিয়া।

(*c*) How could men and women acquire wealth according to 'Manusmriti' ?

'মনুস্মৃতি'ৰ মতে, পুৰুষ আৰু নাৰীয়ে কেনেদৰে সম্পত্তি আহৰণ কৰিব পাৰে ?

(*d*) Make a note on the social system seen in the Mahabharata.

মহাভাৰতত দেখা পোৱা সমাজ ব্যৱস্থাৰ বিষয়ে লিখা।

(*e*) Mention the causes of the rise of Magadha.

মগধৰ উত্থানৰ কাৰণসমূহ উল্লেখ কৰা।

(*f*) Make a note on the teaching of the Buddha.

বুদ্ধৰ শিকনিসমূহৰ বিষয়ে এটি টোকা লিখা।

(*g*) Discuss about the fortification of Vijaynagar.

বিজয়নগৰৰ দুৰ্গ নিৰ্মাণ সম্পৰ্কে আলোচনা কৰা।

(*h*) Make a note on the sources to reconstruct the Sufi tradition.

চুফী পৰম্পৰাৰ ইতিহাস পুনঃনিৰ্মাণৰ সমলসমূহৰ বিষয়ে এটি টোকা লিখা।

(*i*) Who coined the terms 'great' and 'little' traditions and why ? What do 'great' and 'little' traditions mean ? 1+3=4

'মহান' আৰু 'লঘু' পৰম্পৰা দুটাৰ নামকৰণ কোনে আৰু কিয় কৰিছিল ? 'মহান' অৰু 'লঘু' পৰম্পৰা দুটাই কি বুজায় ?

(*j*) Discuss about the role of the zamindars in the Mughal period.

মোগল যুগত জমিদাৰসকলৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(k) How did the Paharias use the forests for their livelihood?

পাহাৰীয়াসকলে জীৱন নিৰ্বাহৰ বাবে অৰণ্যবোৰ কেনেদৰে ব্যৱহাৰ কৰিছিল ?

(l) What were the concerns that influenced the British in their town planning in India in the 19th century?

ঊনবিংশ শতিকাত বৃটিছসকলক কি কি বিবেচনাই ভাৰতত নগৰ পৰিকল্পনাত প্ৰভাৱ পেলাইছিল ?

(m) How did the Indians carry out the programme of the Quit India Movement?

ভাৰতীয়সকলে ভাৰত ত্যাগ আন্দোলনৰ কাৰ্যসূচী কেনেকৈ ৰূপায়িত কৰিছিল ?

(n) What was Permanent Settlement? Why did the zamindars fail to meet the revenue demand?

চিৰস্থায়ী বন্দৱস্ত কি আছিল ? জমিদাৰসকল নিৰ্ধাৰিত খাজনা জমা দিয়াত কিয় ব্যৰ্থ হৈছিল ?

(o) What do you mean by Oral Sources? How does it help in writing history of the partition of India?

মৌখিক উৎস বুলিলে কি বুজা ? ভাৰত বিভাজনৰ বুৰঞ্জী প্ৰণয়নত মৌখিক উৎসই কেনেদৰে সহায় কৰে ?

(p) Discuss the role of women in Mughal Royal family.

মোগল ৰাজপৰিয়ালত মহিলাসকলৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

4. Read the given passage carefully and answer the questions that follow : 6×3=18

তলৰ পাঠ্যাংশবোৰ ভালদৰে পঢ়া আৰু প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ

(a) *How could men and women acquire wealth ?*

For men, the Manusmriti declares, there are seven means of acquiring wealth : inheritance, finding, purchase, conquest, investment, work and acceptance of gifts from good people.

For women, there are six means of acquiring wealth : What was given in front of the fire (marriage) or the bridal procession, or as a token of affection, and what she got from her brother, mother or father. She could also acquire wealth through any subsequent gift and whatever her 'affectionate' husband might give her.

*Questions :*

(i) What were the means of acquiring wealth for men and women ? 4

(ii) Do you think that means of acquiring wealth differentiated men and women ? If so, how ? 2

*পুৰুষ আৰু মহিলাই কিদৰে সম্পত্তি আহৰণ কৰিব পাৰে ?*

মনুস্মৃতিয়ে পুৰুষসকলৰ উপাৰ্জনৰ ক্ষেত্ৰত মুঠতে যি সাতটা উপায় ঘোষণা কৰিছে সেইকেইটা হ'ল ঃ উত্তৰাধিকাৰী সূত্ৰে, বিচাৰি তথা অনুসন্ধান কৰি উলিওৱা, ক্ৰয়, বিজয়, কোনো কামত ধন খটুৱা, কৰ্ম আৰু সজ্জনৰ পৰা উপহাৰ গ্ৰহণ।

নাৰীৰ ক্ষেত্ৰত এনে মুঠ ছয়টা উপায়ৰ অন্যতম হ'ল ঃ ( বিবাহৰ সময়ত) অগ্নিক সাক্ষী কৰি আগবঢ়োৱা সম্পদ, শোভাযাত্ৰা কৰি কইনা অনাৰ সময়ত নাইবা মৰম-চেনেহেৰে দিয়া বিভিন্ন উপহাৰ, পিতৃ-মাতৃ আৰু ভাতৃৰ পৰা প্ৰাপ্ত ধন-সোণ আদি, ইয়াৰ উপৰি (বিবাহৰ পাচত) প্ৰাপ্ত উপহাৰ আৰু 'মৰমিয়াল' স্বামীয়ে যি দিয়ে সকলোবোৰ নাৰীৰ সম্পদ বুলি ধৰা হয়।

*প্ৰশ্নসমূহ ঃ*

(i) পুৰুষ আৰু নাৰীয়ে কি কি উপায়েৰে সম্পদ আহৰণ কৰিব পাৰিছিল ? 4

(ii) সম্পদ আহৰণৰ উপায়বোৰে পুৰুষ আৰু মহিলাক পৃথক কৰিছে বুলি তুমি ভাবানে ? যদি ভাবা, কেনেকৈ ? 2

*Or/ অথবা*

(b) *Language and Scripts :*

Most Asokan inscriptions were in the Prakrit language while those in the northwest of the subcontinent were in Aramaic and Greek. Most Prakrit inscriptions were written in the Brahmi script ; however, some, in the northwest, were written in Kharosthi. The Aramaic and Greek scripts were used for inscriptions in Afghanistan.

*Questions :*

(i) To which source of history do the inscription belong ? 1

(ii) In which languages the Asokan inscriptions were written ? 2

(iii) What were the scripts used to inscribe the Asokan inscriptions ? 3

*ভাষা আৰু লিপি ঃ*

অশোকৰ সৰহভাগ লিপিৰ ভাষা প্ৰাকৃত যদিও উপ-মহাদেশখনৰ উত্তৰ-পশ্চিমৰ লিপিৰ ভাষা আছিল আৰামিক আৰু গ্ৰীক। আৰামিক হ'ল প্ৰাচীন বেবিলনীয় সাম্ৰাজ্যত বহুলভাৱে প্ৰচলিত ভাষা। অধিকসংখ্যক প্ৰাকৃত লিপি ব্ৰাহ্মী আখৰেৰে লিখা হৈছিল যদিও উত্তৰ-পশ্চিমাঞ্চলত খৰোষ্ঠী আখৰো ব্যৱহৃত হৈছিল। আফগানিস্তানৰ লিপিসমূহত আৰামিক আৰু গ্ৰীক্ আখৰ দেখা গৈছিল।

*প্ৰশ্নসমূহ ঃ*

(i) লিপি ইতিহাসৰ কি সমলৰ অন্তৰ্ভুক্ত ? 1

(ii) অশোকৰ লিপিসমূহ কি কি ভাষাত লিখা হৈছিল ? 2

(iii) অশোকৰ লিপিসমূহত কি কি আখৰ ব্যৱহৃত হৈছিল ? 3

(c) *Land Revenue :*

*Cash or Kind*

*The Ain-i-Akbari on land revenue collection :*

Let him (the Amil-guzar) not make it a practice of taking only in cash but also in kind. The latter is effected several ways. First, Kankut in Hindi language 'kan' signifies grain, and 'kut' estimates.... If any doubts arise, the crops should be cut and estimated in three lots, the good, the middling, and the inferior, and the hesitation removed. Often too, the land taken by appraisement, gives a sufficiently accurate return. Secondly, batai, also called bhaoli, the crops are reaped and stacked and divided by agreement in the presence of the parties. But in this case several intelligent inspectors are required ; otherwise, the evil minded and false are given to deception. Thirdly, khetbatai, when they divide the fields after they are sown. Fourthly, lang batai, after cutting the grains, they form it in heaps and divide it among themselves, and each takes his share home and turns it to profit.

*Questions :*

*(i)* Who were the amil-guzars ? 1

*(ii)* What was the medium of land revenue collection ? 1

*(iii)* What were the methods of collecting land revenue in kind ? 4

*ভূমিৰ খাজনা ঃ টকা নে শস্যৰ মাধ্যমত ঃ ভূমি ৰাজস্ব সংগ্ৰহৰ বিষয়ে আইন-ই-আকবৰী ঃ*

আমিল-গুজাৰসকলক অকল টকাৰ মাধ্যমতেই খাজনা সংগ্ৰহ নকৰি লগতে শস্যৰ মাধ্যমতো খাজনা সংগ্ৰহ কৰাৰ ব্যৱস্থাটো চালু ৰাখিবলৈ কোৱা হৈছে। পিচৰ বিধ খাজনা বিভিন্ন উপায়েৰে সংগ্ৰহ কৰা হৈছিল। প্ৰথমতে, কানকুত, হিন্দীত কানৰ অৰ্থ শস্য আৰু কুতৰ অৰ্থ পৰিমাণ নিৰূপণ কৰা...। এই ক্ষেত্ৰত কিবা সন্দেহৰ অৱকাশ থাকিলে শস্য চপাই তাক তিনিটা ভাগত ভাগ কৰা হয় — ভাল, মধ্যম আৰু নিকৃষ্ট। এই বিভাজনৰ দ্বাৰা সন্দেহ দূৰ কৰা হয়। মাজে মাজে আকৌ ভূমিৰ বেছ বা মূল্য নিৰূপণ কৰিও সেইটো কৰা হয়, এই ব্যৱস্থাই সঠিক খাজনা পোৱাত সহায় কৰে। দ্বিতীয়টো হ'ল বাতাই বা ভাওলী, শস্য চপোৱাৰ পিচত সেইবোৰ মজুত কৰি ৰাখি তাক চুক্তি সৰ্তে অংশীদাৰৰ মাজত তেওঁলোকৰ উপস্থিতিতে ভাগ কৰা হয়। এই ক্ষেত্ৰত অৱশ্যে কেইবাজনো চতুৰ পৰিদৰ্শকৰ প্ৰয়োজন হয়। অন্যথা অসৎ প্ৰবৃত্তিৰ আৰু ভুৱা লোকে প্ৰতাৰণা, কৰাৰ অৱকাশ থাকে। তৃতীয়তে, খেত-বাতাই, ইয়াত শস্যৰ বীজ সিঁচাৰ পিচত শস্য ক্ষেত্ৰ বিভাজন কৰা হয়। চতুৰ্থতে,

লাং-বাতাই, ইয়াত শস্য কটাৰ পাচত দম কৰি থয় আৰু পিচত তেওঁলোকৰ মাজত ভাগ কৰি লয়। তেনেদৰে ভাগ-বটোৱাৰা কৰাৰ পিচত প্ৰতিজনে নিজৰ অংশটো লাভ ৰূপে ঘৰলৈ নিয়ে।

*প্ৰশ্নসমূহ ঃ*

*(i)* আমিল-গুজাৰসকল কোন ? 1

*(ii)* ভূমি ৰাজহ কি মাধ্যমত সংগ্ৰহ কৰা হৈছিল ? 1

*(iii)* কি কি পদ্ধতিৰ শস্যৰে ভূমি ৰাজহ সংগ্ৰহ কৰা হৈছিল ? 4

***Or/ অথবা***

*(d)* *Travels of the 'Badsha Nama' :*

Gifting of precious manuscripts was an established diplomatic custom under the Mughals. In emulation of this, the Nawab of Awadh gifted the illustrated Badshah Nama to King George III in 1799. Since then it has been preserved in the English Royal collections, now at Windsor Castle.

In 1994, conservation work required the bound manuscript to be taken apart. This made it possible to exhibit the paintings, and in 1997 for the first time, the Badshah Nama paintings were shown in exhibitions in New Delhi, London and Washington.

*Questions :*

*(i)* Who wrote the Badshah Nama and why ? 2

*(ii)* Who gifted the Badshah Nama in 1799 and to whom ? Why did he do so ? 3

*(iii)* In which places the Badshah Nama paintings were exhibited ? 1

*'বাদছাহ নামাৰ' ভ্ৰমণ ঃ*

মূল্যবান পাণ্ডুলিপি উপহাৰ হিচাবে দান কৰাটো মোগলসকলৰ প্ৰচলিত কূটনৈতিক পৰম্পৰা আছিল। তাকেই অনুসৰণ কৰি অযোধ্যাৰ নৱাবে ইংলেণ্ডৰ ৰজা তৃতীয় জৰ্জক ১৭৯৯ চনত সচিত্ৰ বাদছাহ নামাখন উপহাৰ দিছিল। তেতিয়াৰে পৰা সেইখন ইংলেণ্ডৰ ৰাজকীয় সংগ্ৰহালয়ত, বৰ্তমান উইণ্ডছোৰ ৰাজপ্ৰাসাদত, সংৰক্ষিত কৰি ৰখা হৈছে। ১৯৯৪ চনত সংৰক্ষণ কাযৰ্ব বাবে বন্ধোৱা পাণ্ডুলিপিবিলাক পৃথক কৰাৰ প্ৰয়োজন হৈছিল। সেইটো কৰোতে তাত সন্নিবিষ্ট কৰা চিত্ৰবোৰ প্ৰদৰ্শন কৰাৰ বাবে সম্ভৱ হৈ পৰিছিল। আৰু পোন প্ৰথমবাৰৰ বাবে ১৯৯৭ চনত বাদশাহ নামাৰ চিত্ৰবোৰ নতুন দিল্লী, লণ্ডন আৰু ৱাচিংটনত পতা প্ৰদৰ্শনীত প্ৰদৰ্শন কৰা হৈছিল।

*প্ৰশ্নসমূহ ঃ*

*(i)* 'বাদছাহ নামা' কোনে, আৰু কিয় লিখিছিল ? 2

*(ii)* ১৭৯৯ চনত কোনে, কাক আৰু কিয় 'বাদছাহ নামা' উপহাৰ দিছিল ? 3

*(iii)* বাদছাহ নামাৰ চিত্ৰবোৰ ক'ত ক'ত প্ৰদৰ্শিত হৈছিল ? 1

(e) *"The real minorities are the masses of this country."*

Welcoming the Objective Resolution introduced by Jawaharlal Nehru, N. G. Ranga said :

Sir, there is a lot of talk about minorities. Who are the real minorities ? Not the Hindus in the so-called Pakistan provinces, not the Sikhs, not even the Muslims. No, the real minorities are the masses of this country. These people are so depressed and oppressed and suppressed till now that they are not able to take advantage of the ordinary civil rights. What is the position ? You go to the tribal areas. According to law, their own traditional law, their tribal law, their lands can not be alienated. Yet our merchants go there, and in the so-called free market they are able to snatch their lands. Thus, even though the law goes against this snatching away of their lands, still the merchants are able to turn the tribal people into veritable slaves by various kinds of bonds, and make them hereditary bondslaves. Let us go to the ordinary villagers. There goes the money-lender with his money and he is able to get the villagers in his pocket. There is a landlord himself, the zamindar, and the malguzar and there are various other people who are able to exploit these poor villagers. There is no elementary education even among these people. These are the real minorities that need protection and assurance of protection. In order to give them the necessary protection, we will need much more than this Resolution.

*Questions :*

(i) Who are, according to N. G. Ranga, the real minorities ? 1

(ii) Why are they the real minorities ? 3

(iii) Why do they need protection ? 2

*প্ৰকৃত সংখ্যালঘুসকল এইখন দেশৰ জনসাধাৰণ ঃ*

জৱাহৰলাল নেহৰুৱে উত্থাপন কৰা উদ্দেশ্যমূলক প্ৰস্তাৱটোক আদৰনি জনাই এন. জি. ৰাঙ্গাই কৈছিল।

'ছাৰ, সংখ্যালঘুৰ বিষয়ে বহুতো কথা-বতৰা হ'ল। প্ৰকৃত সংখ্যালঘু কোন ? তথাকথিত পাকিস্তান প্ৰদেশৰ হিন্দুসকল, শিখসকল আনকি মুছলিমসকলো নহয়, প্ৰকৃত সংখ্যালঘুসকল হ'ল দেশখনৰ জনসাধাৰণ। এই মানুহখিনি এতিয়ালৈকে অৱহেলিত আৰু নিষ্পেষিত আৰু অৱদমিত লোক। সেইবাবে সাধাৰণ সামাজিক অধিকাৰৰ সুবিধাখিনিও গ্ৰহণ কৰিবলৈ সমৰ্থ নহয়, অৱস্থাটো কেনেকুৱা ? তুমি জনজাতি অঞ্চললৈ যোৱা — আইনমতে, তেওঁলোকৰ নিজ পৰম্পৰাগত নিয়ম-কানুন, তেওঁলোকৰ জনজাতীয় আইনমতে, তেওঁলোকৰ মাটি তেওঁলোকৰ পৰা বিচ্ছিন্ন কৰি নিব নোৱাৰে। তথাপি আমাৰ সদাগৰসকল এই জনজাতি এলেকাসমূহলৈ গৈ মুকলি বজাৰৰ নামত তেওঁলোকৰ মাটি কাঢ়ি লয়। এই দৰে যদিও তেওঁলোকৰ মাটি কাঢ়ি লোৱাটো আইন বিৰোধী, তথাপিও বেপাৰীসকলে জনজাতীয় লোকসকলক বিভিন্ন প্ৰকাৰৰ চুক্তিপত্ৰৰ যোগেদি বেলেগ বেলেগ ধৰণৰ দাস হিচাবে ব্যৱহাৰ কৰি আছে, আৰু এইটো বংশানুক্ৰম চুক্তিবদ্ধ দাসত্বলৈ ৰূপান্তৰিত কৰিছে। এতিয়া আমি সাধাৰণ গাঁওবাসীৰ ওচৰলৈ যাও—তালৈ টকা ধাৰে দিয়া লোকসকলে জেপত টকা লৈ যায় আৰু গাঁওবাসীসকলক তেঁওলোকৰ জেপৰ ভিতৰত ৰাখিবলৈ সক্ষম হয়। তাত স্বয়ম্ভু মাটিৰ মালিক, জমিদাৰ আৰু মালগুজাৰৰ লগতে বেলেগ বেলেগ প্ৰকাৰৰ লোকসকল আছে, যিসকলে এই দুখীয়া গাওঁবাসীক শোষণ কৰিবলৈ সমৰ্থ হৈছে। তাতে এই মানুহবিলাকৰ আনকি প্ৰাথমিক শিক্ষাও নাই। এঁওলোকেই প্ৰকৃত সংখ্যালঘু যিসকলক সুৰক্ষা আৰু সুৰক্ষাৰ বাবে আশ্বাসৰ দৰকাৰ। তেঁওলোকক আৱশ্যকীয় সুৰক্ষা দিবৰ কাৰণে আমাৰ এই প্ৰস্তাৱটোতকৈ বহুত বেছি কৰ্মপন্থাৰ দৰকাৰ।'

*প্ৰশ্নসমূহ ঃ*

*(i)* এন. জি. ৰাংগাৰ মতে প্ৰকৃত সংখ্যালঘু কোন ? 1

*(ii)* তেওঁলোক কিয় প্ৰকৃত সংখ্যালঘু ? 3

*(iii)* তেওঁলোকক কিয় সুৰক্ষাৰ প্ৰয়োজন ? 2

Or/ অথবা

*(f)* From the mid eighteenth century, there was a new phase of change. Commercial centers such as Surat, Masulipatanam and Dhaka, which had grown in the seventeenth century, declined when trade shifted to other places. As the British gradually acquired political control after the Battle of Plassey in 1757, and the trade of the English East India Company expanded, colonial port cities such as Madras, Calcutta and Bombay rapidly emerged as the new economic capitals. They also became centers of colonial administration and military power. New buildings and institutions developed, and urban spaces were ordered in new ways. New occupations developed and people flocked to these colonial cities. By about 1800, they were the biggest cities in terms of population.

*Questions :*

*(i)* Why did the commercial centers decline which grew in the 17th century ? 1

*(ii)* What were the causes of the emergence of the new economic capitals ? 2

*(iii)* What were the characters of the newly emerged cities ? 3

অষ্টাদশ শতিকাৰ মাজভাগৰপৰা পৰিৱৰ্তনৰ এটা নতুন পৰ্যায় আৰম্ভ হৈছিল। ব্যৱসায় বাণিজ্য অন্যান্য ঠাইলৈ স্থানান্তৰিত হোৱাত সপ্তদশ শতিকাত গঢ়ি উঠা চুৰাট, মুছলিপটনম আৰু ঢাকাৰ দৰে বাণিজ্যিক কেন্দ্ৰসমূহৰ অৱনতি ঘটিল। ১৭৫৭ চনৰ পলাশীৰ যুদ্ধৰ পাচৰপৰা বৃটিছসকলে ক্ৰমান্বয়ে ৰাজনৈতিক নিয়ন্ত্ৰণ আহৰণ কৰিলে। তদুপৰি ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীৰ ব্যৱসায় বাণিজ্যৰ সম্প্ৰসাৰণ ঘটিল। এইবোৰৰ লগে লগে নতুন অৰ্থনৈতিক ৰাজধানীৰূপে মাদ্ৰাজ, কলিকতা আৰু বম্বেৰ দৰে উপনিৱেশিক বন্দৰ মহানগৰৰ দ্ৰুত উত্থান ঘটিল, ইহঁত উপনিবেশিক প্ৰশাসন আৰু সামৰিক শক্তিৰো কেন্দ্ৰস্থল হৈ পৰিল। নতুন নতুন ঘৰ-দুৱাৰ আৰু অনুষ্ঠান প্ৰতিষ্ঠানসমূহ গঢ় লৈ উঠিল আৰু নগৰীয়া অঞ্চলসমূহ নতুন ৰূপত শৃংখলিত কৰি তোলা হ'ল। ন ন বৃত্তি গঢ়ি উঠিল আৰু উপনিবেশিক মহানগৰসমূহলৈ দলে দলে মানুহৰ আগমন ঘটিল। ১৮০০ চন মানলৈ জনসংখ্যাৰ ফালৰ পৰা এইবোৰ ভাৰতৰ বৃহত্তম মহানগৰত পৰিণত হ'ল।

*প্ৰশ্নসমূহ ঃ*

*(i)* সপ্তদশ শতিকাৰ গঢ়ি উঠা বাণিজ্যিক কেন্দ্ৰসমূহৰ কিয় অৱনতি ঘটিছিল ? 1

*(ii)* নতুন অৰ্থনৈতিক ৰাজধানীসমূহৰ উত্থানৰ কাৰণবোৰ কি কি আছিল। 2

*(iii)* নতুনকৈ গঢ় লৈ উঠা মহানগৰসমূহৰ বৈশিষ্ট্যবোৰ কি কি আছিল ? 3

5. (i) Draw a map of India and identify the following places : Guwahati, Delhi, Kolkata. 3+3=6

ভাৰতবৰ্ষৰ এখন মেপ আঁকি তলত দিয়া ঠাইসমূহ চিহ্নিত কৰা ঃ
গুৱাহাটী, দিল্লী, কলকাতা।

*Or/ অথবা*

(ii) Draw a map of India and locate *any three* important great Mahajanapadas. 3+3=6

ভাৰতবৰ্ষৰ এখন মেপ আঁকি *যিকোনো তিনিখন* মহাজনপদৰ স্থান চিহ্নিত কৰা।

———×———